**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date : 19-06-2025**
**Time :** 0705 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**:::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ ঐতিহাসিক তথা প্ৰথমবাৰৰ ক্ৰ'ৱেছিয়া ভ্ৰমণ সামৰি নতুন দিল্লীলৈ উভতি আহিছে।

২। ইজৰাইল আৰু ইৰাণৰ মাজৰ সংঘৰ্ষ নাটকীয়ভাৱে বৃদ্ধি পাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰই যুদ্ধত পোনপটীয়া হস্তক্ষেপ কৰিলে ইয়াৰ পৰিণাম ভয়াবহ হ'ব আৰু সমগ্ৰ পশ্চিম এছিয়াত পূৰ্ণাংগ যুদ্ধ আৰম্ভ হ'ব বুলি ইৰাণে সতৰ্ক কৰি দিছে।

৩। উত্তৰ ইৰাণৰ পৰা ১১০গৰাকী ভাৰতীয় শিক্ষাৰ্থীক লৈ অহা এখন বিমান আজি নিচেই পুৱাতে নতুন দিল্লীত অৱতৰণ কৰে।

৪। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ইজৰাইল আৰু ইৰাণৰ মাজৰ সংঘৰ্ষৰ অন্ত পেলাবলৈ মধ্যস্থতাকাৰীৰ ভূমিকাত অৱতীৰ্ণ হোৱাৰ প্ৰস্তাৱ দিছে।

*আৰু*

৫। পুৰুষ আৰু মহিলাৰ দুখনকৈ ৰোমাঞ্চকৰ উদ্বোধনী খেলেৰে কালি চেন্নাইত হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ ২০২৫ আৰম্ভ হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ ঐতিহাসিক তথা প্ৰথমবাৰৰ ক্ৰ'ৱেছিয়া ভ্ৰমণ সামৰি নতুন দিল্লীলৈ উভতি আহিছে। এই ভ্ৰমণ কালত ভাৰত-ক্ৰ'ৱেছিয়াৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ এদিনীয়া মধ্য আৰু দক্ষিণ-পূব ইউৰোপীয় দেশখনৰ ভ্ৰমণ কালত ক্ৰ'ৱেছিয়াৰ প্ৰধানমন্ত্ৰী আন্দ্ৰে প্লেংকোভিকৰ সৈতে বাগ্গকী ৰ'ৰিত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই গোলকীয় শান্তি, গণতান্ত্ৰিক মূল্যবোধ আৰু বাণিজ্য, প্ৰযুক্তি আৰু সংস্কৃতি খণ্ডত সহযোগিতাৰ প্ৰসাৰৰ দিশত দুয়োখন দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাক গুৰুত্ব দি এটা যুটীয়া বিবৃতি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে সংঘৰ্ষৰ শান্তিপূৰ্ণ সমাধানত গুৰুত্ব আৰোপ কৰি কয় যে ইউৰোপ বা এছিয়া য'তেই নহওক, যুদ্ধক্ষেত্ৰত সমাধান পোৱা নাযায়। তেওঁ কয় যে আলোচনা আৰু কূটনীতিৰ জৰিয়তেহে সংঘৰ্ষৰ সমাধান লাভ কৰিব পাৰি। প্ৰধানমন্ত্ৰী মোদীয়ে সকলো ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতাৰ প্ৰতি ভাৰতৰ স্থিতিৰ কথা দোহাৰে। সন্ত্ৰাসবাদক মানৱতাৰ শত্ৰু বুলি অভিহিত কৰি শ্ৰীমোদীয়ে যোৱা ২২ এপ্ৰিলৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰতৰ সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুঁজক সমৰ্থন আগবঢ়োৱাৰ বাবে ক্ৰ'ৱেছিয়াৰ নেতাগৰাকীক ধন্যবাদ জনায়। তেওঁ কয় যে এনে ধৰণৰ সমৰ্থনে প্ৰয়োজনত পাৰস্পৰিক বিশ্বাস আৰু বন্ধুত্বৰ গভীৰতাক প্ৰতিফলিত কৰে। ভাৰত আৰু ক্ৰ'ৱেছিয়াৰ নেতা দুগৰাকীয়ে লগতে দ্বিপাক্ষিক বাণিজ্য সুদৃঢ় কৰাৰ ক্ষেত্ৰতো সন্মতি প্ৰকাশ কৰে। তেওঁলোকে বৰ্ধিত সহযোগিতাৰ বাবে ভেষজ, কৃষি, তথ্যপ্ৰযুক্তি, স্বচ্ছ আৰু ডিজিটেল প্ৰযুক্তি, পুনৰনবীকৰণযোগ্য শক্তি আৰু ছেমি কণ্ডাক্টৰ খণ্ড চিনাক্ত

কৰে। শ্ৰীমোদীয়ে জাহাজ নিৰ্মাণ, চাইবাৰ সুৰক্ষা আৰু প্ৰতিৰক্ষা খণ্ডত বৰ্ধিত সহযোগিতাৰ আলোকপাত কৰে।

দুয়োখন দেশৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। কৃষি আৰু আনুষঙ্গিক খণ্ডত সহযোগিতা, ২০২৬ৰ পৰা ২০৩০ বৰ্ষৰ বাবে সাংস্কৃতিক বিনিময় কাৰ্যসূচী, বিজ্ঞান আৰু প্ৰযুক্তি খণ্ডত সহযোগিতামূলক কাৰ্যসূচী আৰু জাগ্ৰেব বিশ্ববিদ্যালয়ত হিন্দীৰ ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদৰ অধ্যক্ষ স্থাপনৰ ক্ষেত্ৰত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। শ্ৰীমোদীয়ে ক্ৰ'ৱেছিয়াত যোগৰ জনপ্ৰিয়তাৰ শলাগ লয়। তেওঁ অহা ২১ জুনত সমগ্ৰ দেশখনতে অতি উৎসাহেৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হ'ব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদী এই ভ্ৰমণকালত ক্ৰ'ৱেছিয়াৰ ৰাষ্ট্ৰপতি জ'ৰান মিলান'ভিকৰ সৈতে আন এখন গুৰুত্বপূৰ্ণ বৈঠকতো মিলিত হয়। নতুন দিল্লীলৈ উভতি অহাৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে ক্ৰ'ৱেছিয়াৰ চৰকাৰ আৰু জনসাধাৰণক তেওঁলোকৰ আড়ম্বৰপূৰ্ণ আভ্যৰ্থনাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ এই ভ্ৰমণক এটা ঐতিহাসিক মুহূৰ্ত বুলি উল্লেখ কৰি কয় যে এই ভ্ৰমণে ভাৰত আৰু ক্ৰ'ৱেছিয়াৰ মাজৰ শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত পাৰস্পৰিক আকাংক্ষা আৰু মূল্যবোধৰ আধাৰত সহযোগিতাৰ নতুন অধ্যায় মুকলি কৰিলে।

০০০০০

ইজৰাইল আৰু ইৰাণৰ মাজৰ সংঘৰ্ষ নাটকীয়ভাৱে বৃদ্ধি পাইছে। ইজৰাইলৰ সেনাই তিনিবাৰকৈ চলোৱা বিমান আক্ৰমণত নিহতৰ সংখ্যা বৃদ্ধি পাইছে বুলি ইৰাণৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। দেশখনৰ চৰকাৰী সংবাদ সংস্থাই প্ৰকাশ কৰা মতে ইজৰাইলে ইৰাণৰ ৰাষ্ট্ৰীয় আৰক্ষীৰ মুখ্য কাৰ্যালয়ক লক্ষ্য কৰি চলোৱা আক্ৰমণত ভালেসংখ্যক লোক আহত হয়। ইপিনে, ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাট্‌জে দেশখনৰ সেনাই ইৰাণৰ জনসুৰক্ষা মুখ্য কাৰ্যালয় ধ্বংস কৰা বুলি দাবী কৰিছে। পশ্চিম এছিয়াৰ সংবাদদাতাই জনোৱা মতে কালি, এই সংঘৰ্ষৰ আৰম্ভণিৰে পৰা এতিয়ালৈকে ইজৰাইলে ইৰাণৰ বিৰুদ্ধে সৰ্ববৃহৎ সামৰিক আক্ৰমণ চলায়। ইয়াৰে প্ৰথমটো আক্ৰমণত তেহৰাণৰ ৪০টা স্থানক লক্ষ্য কৰি লোৱা হয়। বিয়লিৰ ভাগত কৰা দ্বিতীয়টো আক্ৰমণত তিনিটা গুৰুত্বপূৰ্ণ ক্ষেপনাস্ত্ৰ উৎপাদন কেন্দ্ৰকে ধৰি ২০টা অতিৰিক্ত স্থানক লক্ষ্য কৰি লোৱা হয়। সন্ধিয়াৰ ভাগতো ইজৰাইলে ইৰাণৰ বিৰুদ্ধে আন এটা ব্যাপক আক্ৰমণ চলায়।

প্ৰত্যুত্তৰত ইৰাণে ৪০০টা বেলিষ্টিক ক্ষেপণাস্ত্ৰ আৰু প্ৰায় এহেজাৰ ড্ৰোণেৰে ইজৰাইলৰ ওপৰত আক্ৰমণ কৰে। ইজৰাইলৰ প্ৰতিৰক্ষা ব্যৱস্থাই বেছিভাগ ক্ষেপণাস্ত্ৰৰ আক্ৰমণ প্ৰতিহত কৰে যদিও কমেও ২০টা ক্ষেপণাস্ত্ৰই চহৰ অঞ্চলত ব্যাপক ক্ষতি কৰে। এই আক্ৰমণত ২৪জন লোকৰ মৃত্যু হোৱাৰ উপৰি ৫০০ৰো অধিক ইজৰাইলী নাগৰিক আহত হয়। ইৰাণৰ ৰিভ'লিউশ্যনেৰী গাৰ্ড কৰ্পছে নিৰন্তৰ প্ৰত্যাক্ৰমণৰ পণ লৈছে। ইপিনে, ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লা আলী খামেনেই যুদ্ধ ৰোধ কৰাৰ বাবে বৰ্ধিত আন্তঃৰাষ্ট্ৰীয় হেঁচাক খাৰিজ কৰিছে। এই ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰই কোনো ধৰণৰ পোনপটীয়া হস্তক্ষেপ কৰিলে ইয়াৰ পৰিণাম ভয়াবহ হ'ব আৰু সমগ্ৰ পশ্চিম এছিয়াত পূৰ্ণাংগ যুদ্ধ আৰম্ভ হ'ব বুলি ইৰাণে সতৰ্ক কৰি দিছে।

ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সেই খণ্ডত অতিৰিক্ত সামৰিক বাহিনী নিয়োগ কৰিছে। তেওঁ লগতে তেহৰাণক বিনা চৰ্তে আত্মসমৰ্পণ কৰিবলৈ দাবী জনায়। পূৰ্বে এই যুদ্ধ বন্ধ কৰাৰ বাবে

ট্ৰাম্পৰ আহ্বানৰ বিপৰীতে বৰ্তমান ইজৰাইলৰ সেনাৰ প্ৰতি মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীৰ মুকলি সমৰ্থনে এই যুদ্ধক আন এক নতুন মোৰ দিয়াৰ সম্ভাৱনা আছে।

০০০০০

উত্তৰ ইৰাণৰ পৰা ১১০গৰাকী ভাৰতীয় শিক্ষাৰ্থীক লৈ অহা এখন বিমান আজি নিচেই পুৱাতে নতুন দিল্লীত অৱতৰণ কৰে। ইৰাণ আৰু ইজৰাইলৰ মাজত চলি থকা যুদ্ধৰ পৰিপ্ৰেক্ষিতত পৰিস্থিতি অৱনতি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ইৰাণত থকা ভাৰতীয় লোকসকলক ওভতাই অনাৰ বাবে ভাৰতে সিন্ধু অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ প্ৰথম পদক্ষেপ হিচাপে তেহৰাণত থকা ভাৰতীয় দূতাবাসে ১১০গৰাকী ভাৰতীয় শিক্ষাৰ্থীক উত্তৰ তেহৰাণৰ পৰা ওভতাই আনিছে। ভাৰতীয় দূতাবাসে শিক্ষাৰ্থীসকলক আৰ্মেনিয়ালৈকে নিৰাপদে অনাৰ ব্যৱস্থা কৰে। শিক্ষাৰ্থীসকলে আৰ্মেনিয়াৰ ৰাজধানী য়েৰেভানলৈকে পথেৰে যাত্ৰা কৰে। কালি বিয়লি তেওঁলোকক এখন বিশেষ বিমানেৰে য়েৰেভানৰ পৰা লৈ অনা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত এই উদ্ধাৰ অভিযান নিয়াৰিকৈ চলাই নিয়াত সহায় কৰাৰ বাবে ভাৰত চৰকাৰ ইৰাণ আৰু আৰ্মেনিয়া চৰকাৰৰ ওচৰত কৃতজ্ঞ বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ভাৰতে বিদেশত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দি আহিছে। সিন্ধু অভিযানৰ অংশ হিচাপে ইৰাণত থকা ভাৰতীয় দূতাবাসে পৰিস্থিতি অধিক অৱনতি হোৱা স্থানসমূহৰ পৰা বহুসংখ্যক ভাৰতীয়ক তুলনামূলকভাৱে নিৰাপদ স্থানলৈ যোৱাত সহায় কৰিছে। ইৰাণত থকা ভাৰতীয় লোকসকলক তাৎক্ষণিক হেল্পলাইনৰ জৰিয়তে তেহৰাণৰ ভাৰতীয় দূতাবাসৰ সৈতে সঘন যোগাযোগত থাকিবলৈ আৰু নতুন দিল্লীৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে ইজৰাইল আৰু ইৰাণৰ সংঘাতৰ অন্ত পেলাবলৈ মধ্যস্থতাকাৰীৰ ভূমিকাত অৱতীৰ্ণ হোৱাৰ প্ৰস্তাৱ দিছে। ৰাষ্ট্ৰপতি পুটিনে ছেইণ্ট পিটাৰ্ছবাৰ্গ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক মঞ্চৰ অধিবেশনত ভাষণ দি মস্কোৱে বিবাদ নিষ্পত্তিৰ আলোচনাত সহায় কৰিব পাৰে আৰু ইজৰাইলৰ নিৰাপত্তাজনিত আশংকাক শান্ত কৰাৰ লগতে তেহৰাণক শান্তিপূৰ্ণ পাৰমাণৱিক কাৰ্যসূচী গ্ৰহণ কৰিবলৈ অনুমতি দিব পাৰে বুলি পৰামৰ্শ প্ৰদান কৰিছে। পুটিনে লগতে কয় যে তেওঁ মস্কোৰ প্ৰস্তাৱ সম্পৰ্কে ইৰাণ, ইজৰাইল আৰু আমেৰিকাক ইতিমধ্যে জনাইছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৈতে যোৱা সপ্তাহত পুটিনে মধ্যস্তুতাকাৰীৰ প্ৰস্তাৱ সম্পৰ্কে ফোনযোগে বাৰ্তালাপ কৰাৰ পাছতে এই মন্তব্য প্ৰদান কৰিছে।

০০০০০

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে চীন, পাকিস্তান আৰু ৰাছিয়াৰ সমৰ্থিত ইৰাণৰ অনুৰোধৰ পিছত শুকুৰবাৰে নিউয়ৰ্কত ইৰাণ সন্দৰ্ভত এখন জৰুৰীকালীন অধিৰেশন আহ্বান কৰিছে। 'আই. এ. ই. এ.'ৰ সঞ্চালক প্ৰধান ৰাফেল গ্ৰ'ছি আৰু ৰাষ্ট্ৰসংঘৰ ৰাজনৈতিক পৰিক্ৰমা মুৰব্বী ৰোজমেৰী ডিকাৰ্লোকে ইৰাণক বিৱৰণ দিবলৈ আহ্বান জনাইছে। যোৱা শুকুৰবাৰে অনুষ্ঠিত

অধিবেশনখনৰ পিছত ইৰাণ সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এইখন দ্বিতীয়খন জৰুৰী বৈঠক হ'ব।

০০০০০

পুৰুষ আৰু মহিলাৰ দুখন ৰোমাঞ্চকৰ উদ্বোধনী মেচেৰে কালি চেন্নাইত হকী ইণ্ডিয়া মাষ্টাৰছ কাপ ২০২৫ আৰম্ভ হয়। মহিলাৰ শাখাত কৰ্ণাটকে কেৰেলাক ৭-০ গ'লত পৰাস্ত কৰাৰ লগতে আন এখন মেচত হিমাচলৰ বিৰুদ্ধে মহাৰাষ্ট্ৰই ৫-০ গ'লত জয়লাভ কৰে। পুৰুষ শাখাত পঞ্জাবে 'লে পুডুচেৰী' দলটোক ৩-২ গ'লত পৰাস্ত কৰাৰ লগতে আন এখন মেচত তামিলনাডুৱে কেৰালাৰ বিৰুদ্ধে ৮-০ গ'লত জয়লাভ কৰে। মহিলাৰ শাখাত ওড়িশা, হাৰিয়ানা, হিমাচল প্ৰদেশ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, পঞ্জাৱ, তামিলনাডু, কেৰালাকে ধৰি আঠটা দলে খিতাপ দখলৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। একেদৰে পুৰুষৰ শাখাত ১১টা দলে অংশগ্ৰহণ কৰিছে।

০০০০০

সমাপ্ত